www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SUNDAY, SEPTEMBER 22, 2024 ■ দেওবাৰ।। ৫ আহিন, ১৯৪৬ শকাব্দ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৬০ Guwahati, Assam ।। মূল্যঃ এটকা

## দীপাংকৰৰ পিতৃ-মাতৃক গ্ৰেপ্তাৰ

**ই-সংবাদ, ২১ ছেপ্টেম্বৰঃ** ট্ৰেডিং কেলেংকাৰীক লৈ ৰাজ্যত আজিও চাঞ্চল্য অব্যাহত ৪ পৃষ্ঠাত চাওক

দেওবৰীয়া বিশেষ লেখা

## বিনিয়োগৰ যোগ-বিয়োগ

■ দেবৰ্ষি গৌতম

**যিকোনো** পদ্ধতিৰে নিজৰ উপাৰ্জিত ধন বিনিয়োগ কৰি আমি স্বাৱলম্বী হ'ব পাৰো। কিন্তু ক'ত আৰু কেনেকৈ আমাৰ উপাৰ্জিত ধন বিনিয়োগ কৰিম সেই বিষয়ে আমি বিনিয়োগ কৰাৰ পূৰ্বে পুংখানুপুংখভাৱে জানি লোৱাতো অতিকৈ দৰকাৰী। শেষাংশ ৩ পৃষ্ঠাত

## ভূমি নীতিক লৈ সচেতন নাগৰিকৰে কংগ্ৰেছৰ বৈঠক



**ই-সংবাদ, ২১ ছেপ্টেম্বৰঃ** উচ্ছেদ আৰু ভূমি নীতি সম্পৰ্কত আজি প্ৰদেশ কংগ্ৰেছৰ আইনী কোষৰ উদ্যোগত বিশেষ বৈঠক অনুষ্ঠিত হয়। ৰাজ্যৰ কেবাগৰাকী বিশিষ্ট বুদ্ধিজীৱি, আইনজ্ঞ আৰু সচেতন নাগৰিকৰ উপস্থিতিত অনুষ্ঠিত বৈঠকত কংগ্ৰেছে ভূমি নীতি তথা উচ্ছেদ সন্দৰ্ভত কেইবাটাও পৰামৰ্শ গ্ৰহণ কৰে। শেষাংশ ৩ পৃষ্ঠাত



## শপত ল'লে আতিশী মাৰ্লেনাই

**নতুন দিল্লী, ২১ ছেপ্টেম্বৰঃ** পূৰ্বে কৰা ঘোষণা অনুসৰিয়েই অৱশেষত দিল্লীৰ মুখ্যমন্ত্ৰীৰ আসনত উপৱিষ্ট হ'ল আতিশী মাৰ্লেনা। শনিবাৰে বিয়লি ৪.৩০ বজাত উপ-ৰাজ্যপাল ভি কে ছাক্সেনাৰ শেষাংশ ৩ পৃষ্ঠাত

## প্ৰস্তাৱিত 'ফেক্ট চেক ইউনিট'ক অসাংবিধানিক আখ্যা বম্বে হাইকৰ্টৰ

# ছ'চিয়েল মিডিয়াক হাত কৰাত কেন্দ্ৰক বাধা আদালতৰ



ওড়িশাৰ থানাত দেশ কঁপোৱা ঘটনা, সবিশেষ বাতৰি ভিতৰৰ পৃষ্ঠাত

**ই-সংবাদ বিশেষ, ২১ ছেপ্টেম্বৰঃ** চৰকাৰক সমালোচনা কৰিলেই ভুৱা আৰু বিভ্ৰান্তিকৰ তথ্য প্ৰচাৰ কৰা বুলি ছ'চিয়েল মিডিয়া ইউজাৰ্ছৰ ওপৰত লেকাম টানিবলৈ এতিয়া অপৰাগ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন এনডিএ চৰকাৰ। ছ'চিয়েল শেষাংশ ৩ পৃষ্ঠাত

## আকৌ জ্বলিব মণিপুৰ!

**ইম্ফল, ২১ ছেপ্টেম্বৰঃ** পুনৰ ৰচা হৈছে মণিপুৰত হিংসাৰ দাবানল সৃষ্টিৰ ভয়ংকৰ ষড়যন্ত্ৰ! জংঘল যুদ্ধ আৰু ড্ৰোণ আক্ৰমণৰ প্ৰশিক্ষণপ্ৰাপ্ত ৯০০ কুকি উগ্ৰপন্থী ম্যানমাৰৰ পৰা প্ৰৱেশ কৰিছে উত্তৰ-পূৰ্বৰ ৰাজ্যখনত। এই দাবী কৰিছে মণিপুৰ চৰকাৰৰ নিৰাপত্তা উপদেষ্টা কুলদীপ সিঙে। শনিবাৰে তেওঁ ৰাজহুৱাভাৱে এই কথা প্ৰকাশ কৰি কয় যে চোৰাংচোৱা সূত্ৰৰ পৰা ৯০০ কুকি উগ্ৰপন্থী চুবুৰীয়া শেষাংশ ২ পৃষ্ঠাত

## বিপদ বাঢ়িছে শংকৰজ্যোতিৰ, নাকচ হ'ল জামিন আবেদন

**ই-সংবাদ, ২১ ছেপ্টেম্বৰঃ** দুদিন আগলৈকে সদৌ অসম ছাত্ৰ সন্থাৰ মজিয়াত দপদপাই আছিল শংকৰজ্যোতি বৰুৱা। চৰকাৰৰ মুৰব্বী, শাসকীয় দলৰ ভুল নীতিক তীব্ৰ শেষাংশ ২ পৃষ্ঠাত

## জাৰ্মানীৰ পৰা অনা মেচিনত প্ৰস্তুত হয় তিৰুপতিৰ লাডু

**ই-সংবাদ বিশেষ, ২১ ছেপ্টেম্বৰঃ** অন্ধ্ৰ প্ৰদেশৰ প্ৰসিদ্ধ তিৰুপতি মন্দিৰৰ প্ৰসাদৰ লাডুক লৈ সূত্ৰপাত ঘটা বিতৰ্কই দেশজুৰি সৃষ্টি কৰিছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। আক্ৰমণ-প্ৰত্যাক্ৰমণৰ ৰাজনীতিৰ চৰম সীমাত উপনীত হোৱা এই বিতৰ্কৰ পিছতে চৰ্চালৈ আহিছে তিৰুপতি মন্দিৰৰ এই প্ৰসাদৰ



লাডু প্ৰস্তুত কৰাৰ প্ৰক্ৰিয়াৰ প্ৰসংগও। জাৰ্মানী, ছুইজাৰলেণ্ডৰ দৰে দেশৰ পৰা ক্ৰয় কৰা অত্যাধুনিক মেচিনত তিৰুপতি মন্দিৰৰ ভক্তৰ বাবে প্ৰতিদিনে প্ৰস্তুত কৰা হয় লাখ লাখ লাডু। উল্লেখ্য যে, তিৰুপৰি মন্দিৰৰ প্ৰসাদৰ লাডু 'দিত্তম' নামৰ সামগ্ৰীৰে প্ৰস্তুত কৰা হয়। যি শেষাংশ ৪ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিনিয়োগৰ যোগ-বিয়োগ

বহু সময়ত দেখিবলৈ পোৱা যায় যে বিনিয়োগৰ নামত বহু লোকে বিভিন্ন ধৰণৰ জালিয়াতিৰ জৰিয়তে ধন সংগ্ৰহ কৰাৰ অভিযোগ উত্থাপিত হৈ আহিছে। ইয়াৰ প্ৰমাণ বিগত দিনত সংঘটিত হোৱা ঘটনা প্ৰবাহে বহন কৰিছে। যদি আপোনাৰ উপাৰ্জিত ধন বিনিয়োগ কৰি স্বাৱলম্বী হোৱাৰ সপোন দেখিছে তেনেহ'লে এটা কথা স্পষ্ট যে বিনিয়োগ কৰিবলৈ আপুনি নিজে প্ৰাথমিক তথ্যসমূহ আহৰণ কৰিব লাগিব। আমাৰ দেশত বিনিয়োগৰ বাবে জনপ্ৰিয় প্লেটফৰ্ম হৈছে শ্বেয়াৰ বজাৰ। ইয়াৰ উপৰিও মিছুৱেল ফাণ্ড, ভাৰতীয় জীৱন বীমা নিগম আদিৰ জৰিয়তেও আপুনি নিজৰ উপাৰ্জিত ধন বিনিয়োগ কৰাৰ সুবিধা আছে। কিন্তু এনে ধৰণৰ বিনিয়োগ আপুনি প্ৰত্যক্ষভাৱে কৰাটো অতিকৈ জৰুৰী। যদি আপুনি এনে ধৰণৰ বিনিয়োগত আন ব্যক্তিৰ সহায়ত কৰিবলৈ আগবাঢ়ে তেনেহলে এনে বিনিয়োগৰ পৰা আপুনি যে বিপদৰ সন্মুখীন নহ'ব তাৰ কোনো নিশ্চয়তা নাই। বিনিয়োগৰ ক্ষেত্ৰখন এনে এখন ক্ষেত্ৰ নহয় যে আপুনি বিনিয়োগ কৰা ধনখিনিৰ পৰা আপুনি  নিশ্চিতভাৱে লাভান্বিত হ'ব। বিনিয়োগৰ ক্ষেত্ৰখনত লাভ আৰু লোকচান দুয়োটাই সম্ভৱ। আপোনাৰ লাভ-লোকচান বিনিয়োগৰ প্ৰতিটো স্তৰ আপুনি কিমান সূক্ষ্মভাৱে নিৰীক্ষণ কৰিছে তাৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰিব। আপুনি অতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰাৰ পিছতো কেতিয়াবা বিনিয়োগৰ ক্ষেত্ৰত লোকচানৰ সন্মুখীন হোৱাটো কোনো অস্বাভাৱিক কথা নহয়। কিন্তু আপুনি আপোনাৰ লোকচান কিদৰে লাভলৈ ৰূপান্তৰিত কৰিব সেইটোহে বিনিয়োগৰ মূল বিষয়। বিনিয়োগৰ ক্ষেত্ৰখনত বহু লোক লাভান্বিত হোৱাৰ কথা আপোনালোকে সততে শুনিবলৈ পাব। কিন্তু লোকচানৰ কথা খুব কমকৈ শুনিবলৈ পাব। এক উচ্চ জীৱনশৈলীৰে সকলোৰে আগত উপস্থাপন কৰি কিছুমান লোকে বিনিয়োগৰ জৰিয়তে লাভান্বিত হোৱা বুলি প্ৰমাণ কৰিব বিচাৰে। কিন্তু ইয়াতে এটা চিন্তা কৰিবলগীয়া কথা আছে। বিনিয়োগত যদি সকলোৰে লাভ কৰি আছে তেনেহ'লে লাভ হোৱা এই ধনবোৰ আহিছে ক'ৰ পৰা? কোনোবাই যদি বিনিয়োগৰ পৰা লাভ কৰিছে তেনেহলে কোনোবাই লোকচানৰ সন্মুখীন হ'বই লাগিব তেতিয়াহে লাভ হোৱা ব্যক্তিগৰাকীয়ে লাভৰ ধনখিনি পাব। গতিকে আপোনালোকে অতি কম সময়ত ধনী হোৱাৰ সপোনত ডুব হৈ কোনো ব্যক্তিৰ চলাহী কথাত নিজৰ কষ্টোপাৰ্জিত ধন অপচয় কৰিবলৈ তেনে ব্যক্তিৰ হাতত আপোনাৰ ধন তুলি নিদিব। যদি কোনোবা ব্যক্তিয়ে ৩০ পৰা ৪০ শতাংশ ধন লাভ কৰি দিয়াৰ সপোন দেখুৱাই তেনেহলে এটা প্ৰশ্ন নিশ্চিতভাৱে মনলৈ আনিব যে ইমান লাভ যদি সচাকৈ হয় তেনেহলে সেই ব্যক্তিগৰাকীয়ে বৃহৎ পৰিমাণৰ ধন নিজে লাভ নকৰি আপোনাক দিয়াৰ উদ্দেশ্য কি? ধন উপাৰ্জনৰ জৰিয়তে স্বাৱলম্বী হোৱাতো প্ৰতিগৰাকী ব্যক্তিৰে এক সপোন থাকে কিন্তু অতি সহজ উপায় অৱলম্বন কৰি স্বাৱলম্বী হোৱাৰ সপোন যিয়ে দেখে তেনে ব্যক্তি কেতিয়াও স্বাৱলম্বী হ'ব নোৱাৰে। জীৱনত যিকোনো প্ৰকাৰে সফল হ'বলৈ হ'লে চেষ্টা আৰু অধ্যৱসায়ৰ কোনো বিকল্প নাই। কেতিয়াও কাৰো চলাহী কথাত ভোল গৈ আপুনি নিজৰ কষ্টোপাৰ্জিত ধন আনে বিনিয়োগৰ জৰিয়তে উপাৰ্জন কৰি দিয়াৰ লোভত প্ৰৱঞ্চনাৰ বলি হোৱাৰ পৰা বিৰত থাকক। নহ'লে আপুনি সৰ্বস্বান্ত হোৱাটো নিশ্চিত। বিশেষকৈ শ্বেয়াৰ বজাৰত তথ্য অথবা জ্ঞান আহৰণ কৰি আপুনি সফলভাৱে ট্ৰেডিং কৰিব পাৰিব। কিন্তু কোনো তথ্য ৰাজহুৱাকৈ আনৰ লগত শ্বেয়াৰ কৰিব নোৱাৰিব। সেয়া ছেবি, এনএছই আদিৰ দৰে শ্বেয়াৰ বজাৰ পৰিচালনা কৰা সংস্থাৰ নিয়মৰ বাহিৰত। ইয়াৰ বাবে বৃহৎ পৰিমাণৰ জৰিমনা বিহাৰ নিয়ম আছে। এনে অন্য ধৰণৰ বহু নীতি-নিয়ম আছে। যিসমূহ নীতি-নিয়ম আপুনি অথবা মোৰ দৰে সাধাৰণ মানুহৰ জ্ঞাত নহয়। সাধাৰণ মানুহৰ তেনে অজ্ঞতাৰ সুযোগ গ্ৰহণ কৰি কিছুমান লোকে প্ৰৱঞ্চনাৰ জাল পেলায়। যদি আপুনি নিজে বিনিয়োগ কৰিবলৈ অপাৰগ তেনেহলে আনৰ সহায়ত বিনিয়োগ কৰাৰ পৰিৱৰ্তে বিনিয়োগৰ প্ৰতিটো স্তৰৰ তথ্য আহৰণ কৰিবলৈ চেষ্টা কৰক আৰু নিজকে বিনিয়োগৰ ক্ষেত্ৰখনত যোগ্য হিচাপে গঢ়ি তুলিবলৈ চেষ্টা কৰক। যদি সেয়া আপোনাৰ বাবে সম্ভৱপৰ নহয় বুলি আপুনি নিজে অনুভৱ কৰে তেনেহলে আপুনি বিনিয়োগৰ জৰিয়তে স্বাৱলম্বী হোৱাৰ সপোন এৰি দি অন্য দিশত স্বাৱলম্বী হোৱাৰ সপোন দেখিবলৈ আৰম্ভ কৰক। গতিকে আপুনি কেতিয়াও কোনো লোকৰ চলাহী কথাত ভোল গৈ নিজক সৰ্বস্বান্ত কৰাৰ বাট মুকলি কৰি নিদিব। আপুনি নিজে যদি ভুল নকৰে তেনেহ'লে আপোনাক কোনেও প্ৰৱঞ্চনা কৰিব নোৱাৰে। আপোনাৰ এটা সামান্য ভুল আপোনাৰ জীৱনৰ আটাইতকৈ ডাঙৰ বিপদ হিচাপে পৰিগণিত হ'বলৈ বৰ বেছি সময় নালাগে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আকৌ জ্বলিব মণিপুৰ!

ম্যানমাৰৰ পৰা মণিপুৰত প্ৰৱেশ কৰাৰ তথ্য লাভ হৈছে। এই তথ্যক সহজভাৱে নল'বলৈও সকীয়াই দিয়ে নিৰাপত্তা উপদেষ্টাগৰাকীয়ে। সূত্ৰ অনুসৰি এই প্ৰশিক্ষিত উগ্ৰপন্থীৰ অনুপ্ৰৱেশ সম্পৰ্কীয় চোৰাংচোৱা প্ৰতিবেদন ইতিমধ্যে ৰাজ্যৰ সকলো জিলাৰ আৰক্ষী অধীক্ষকলৈ প্ৰেৰণ কৰা হৈছে আৰু জিলাই জিলাই সতৰ্কতা অৱলম্বন কৰিবলৈ কোৱা হৈছে। সূত্ৰটোৱে লগতে কয় যে বৃহস্পতিবাৰে ৰাজ্য চৰকাৰে চোৰাংচোৱাৰ প্ৰতিবেদন লাভ কৰে। এই প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে চুবুৰীয়া ৰাষ্ট্ৰ ম্যানমাৰৰ পৰা অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰ, ড্ৰোন বোমা বিস্ফোৰণ, মিছাইল, ৰকেট আৰু জংঘল যুদ্ধৰ প্ৰশিক্ষণপ্ৰাপ্ত ৯০০ কুকি উগ্ৰপন্থীয়ে ৰাজ্যখনত প্ৰৱেশ কৰিছে। সূত্ৰটোৱে আৰু দাবী কৰে যে উগ্ৰপন্থীয়ে বিভিন্ন গোটত বিভক্ত হৈ ৰাজ্যখনত প্ৰৱেশ কৰিছে। প্ৰতিটো গোটত ৩০ জন উগ্ৰপন্থী আছে। চোৰাংচোৱা সূত্ৰই আশংকা প্ৰকাশ কৰিছে যে তেওঁলোকে মেইটেই প্ৰভাৱিত গাঁওসমূহত একাধিক আক্ৰমণৰ পৰিকল্পনা কৰিছে। শুকুৰবাৰে এখন সংবাদমেলত নিৰাপত্তা উপদেষ্টাগৰাকীয়ে দাবী কৰে যে উগ্ৰপন্থীৰ অনুপ্ৰৱেশৰ এই প্ৰতিবেদন ১০০ শতাংশ সঠিক। তেওঁ কয় যে এই প্ৰতিবেদন ভুল বুলি প্ৰমাণিত নোহোৱালৈকে আমি এই প্ৰতিবেদন ১০০ শতাংশ শুদ্ধ বুলি মানি ল'ব লাগিব। কাৰণ যিকোনো চোৰাংচোৱাৰ প্ৰতিবেদন ১০০ শতাংশ শুদ্ধ বুলি ধৰি লোৱা উচিত আৰু প্ৰয়োজনীয় প্ৰস্তুতি চলোৱা উচিত। তেওঁ কয় যে কোনো কাৰণতে এই বিষয়টোক সহজভাৱে লোৱা উচিত নহয়। উল্লেখ্য যে মণিপুৰত সংঘাত আৰম্ভ হোৱা সময়ৰে পৰা চৰকাৰে বিদেশী শক্তি জড়িত থকাৰ কথা কৈ আহিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিপদ বাঢ়িছে শংকৰজ্যোতিৰ

সমালোচনা কৰিছিল আছুৰ তদানীন্তন সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই। কিন্তু নিয়তিৰ কি যে পৰিহাস! হঠাতে শক্তিশালী শংকৰজ্যোতি অসহায় হৈ পৰিল। আছুৰ সাধাৰণ সম্পাদকৰ পদ হেৰুওৱাৰ লগতে নিজেই প্ৰাথমিক সদস্য পদ ত্যাগ কৰিবলৈ বাধ্য হ'ল। সেইগৰাকী শংকৰজ্যোতি বৰুৱাই অন্তৰ্বৰ্তীকালীন জামিন লাভ কৰিছিল যদিও আজি জামিন নাকচ কৰে আদালতে। আছুৰ সদ্যপ্ৰাক্তন সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই কামৰূপ মহানগৰ সত্ৰ ন্যায়াধীশৰ আদালতক জামিন আবেদন কৰিছিল যদিও আদালতে জামিন নাকচ কৰে। চৰকাৰী পক্ষৰ হৈ আদালতত যুক্তি আগবঢ়াইছিল অধিবক্তা মাখন ফুকনে। এতিয়া শংকৰৰ হাতত কেইবাটাও বিকল্প মজুত আছে। উচ্চ আদালতত জামিন আবেদন কৰিব পাৰিব, অন্যথাই আৰক্ষী থানাত আত্মসমৰ্পণ কৰিব পাৰিব বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, শংকৰজ্যোতি বৰুৱাৰ বিৰুদ্ধে এগৰাকী ছাত্ৰীয়ে আনিছিল গুৰুতৰ অভিযোগ। গুৱাহাটীৰ এখন বিশ্ববিদ্যালয়ত অধ্যয়নৰত ছাত্ৰীগৰাকীয়ে বিয়াৰ প্ৰলোভন দি শাৰীৰিক শোষণ আৰু হত্যাৰ ভাবুকি দিয়াৰ অভিযোগ আনিছিল। অভিযোগ অনাই নহয় ভঙাগড় আৰক্ষী থানাত এজাহাৰো দাখিল কৰিছিল ছাত্ৰীগৰাকীয়ে। ছাত্ৰীগৰাকীয়ে অভিযোগ উত্থাপন কৰা মতে, প্ৰায় দুই বছৰ ধৰি শংকৰজ্যোতিৰ সৈতে প্ৰেম-ভালপোৱাৰ সম্পৰ্কত আছিল। দুয়োটা পৰিয়ালেই সকলো কথা অৱগত। কিন্তু হঠাতে শংকৰজ্যোতিয়ে যুৱতীগৰাকীক অৱজ্ঞা কৰিবলৈ ধৰে। ফলত মানসিক চাপত ভুগি ছাত্ৰী আৱাসত দৰৱ সেৱন কৰি  চিকিৎসাধীন হৈছিল যুৱতীগৰাকী।

# ভূমি নীতিক লৈ সচেতন

■ প্ৰথম পৃষ্ঠাৰ পৰা...

অসম সচিবালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এই বৈঠকত জ্যেষ্ঠ অধিবক্তা আৰু বিশিষ্ট ব্যক্তিসকলে পৰামৰ্শ আগবঢ়ায়। বৈঠকত ম্যাদী মাটিৰ পৰা ৩ দিনৰ জাননীত কেনেকৈ উচ্ছেদ কৰিব পাৰে সেই লৈয়ো আলোচনা কৰা হয়। বিশিষ্ট লোকসকলে নিৰ্দিষ্ট জিলা আয়ুক্তসকলক জবাবদিহি কৰাৰ লগতে চৰকাৰৰ এজেণ্ডাৰ হৈ কাম কৰি থকা বিষয়াসকল ৰাইজৰ বিষয়া, কোনো দলৰ নহয় তাকো আলোচনা কৰে। প্ৰয়োজনত অসাংবিধানিক উচ্ছেদৰ বিৰুদ্ধে প্ৰতিবাদ, ধৰ্মীয় দৃষ্টিকোণক লক্ষ্য কৰি বক্তব্য দিয়া বিষয়টোক গুৰুত্ব প্ৰদান কৰা, নাগৰিক সমিতি গঠন কৰি উচ্ছেদিৰ নথি পৰীক্ষা কৰাৰো দিহা প্ৰদান কৰে কংগ্ৰেছেক। গুৱাহাটী উচ্চতম ন্যায়ালয়ৰ বিশিষ্ট অধিবক্তা, সাহিত্য, সংস্কৃতি আৰু বৌদ্ধিক জগতৰ ব্যক্তিৰ সৈতে ভূমি নীতিৰ সম্পৰ্কত দীঘলীয়া আলোচনাৰ অন্তত সাংবাদিকসকলৰ সৈতে মুখামুখি হৈ প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই কেইবাটাও মন্তব্য প্ৰদান কৰে। সভাপতি ভূপেন বৰাই কয় যে বিশিষ্ট আইনজ্ঞ আৰু জাতীয় জীৱনৰ সৈতে জড়িত লোকক আমন্ত্ৰণ কৰি আনিছো। তেখেতসকলে মূল্যবান পৰামৰ্শ দিছে। মুখ্যমন্ত্ৰীৰ কাম-কাজক কেইবাবাৰো উচ্চ ন্যায়ালয়ে ককৰ্থনা কৰিছে। আমি ভূমি নীতিক লৈ চৰকাৰক শ্বেতপত্ৰ প্ৰকাশ কৰিবলৈ দাবী জনাম। ভূমি নীতিক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি বৰাই কয় যে আমি অসমৰ বিশিষ্ট আইনজ্ঞক লগত লৈ এখন আইন তৈয়াৰ কৰিম। সেই আইন বিধানসভাৰ বিৰোধী দলপতিৰ দ্বাৰা প্ৰাইভেট মেম্বাৰ বিল হিচাপে উত্থাপন কৰা হ'ব। সেইখন কংগ্ৰেছৰ ভূমি নীতি নহয়। সেইখন হ'ব অসমৰ ৰাইজৰ মতামতৰ ভিত্তিত তৈয়াৰ কৰা ভূমি নীতি। সেইখন জাতীয় জীৱনৰ সকলো স্তৰৰ ব্যক্তিৰ সৈতে লগলাগি প্ৰস্তুত কৰিম। সেইখন উত্থাপন কৰি সেইখন চৰকাৰে কি কৰে চাম। যদি কংগ্ৰেছ চৰকাৰ আহে তেতিয়া আমাৰ চৰকাৰৰ ভূমি নীতি কেনেকুৱা হ'ব সেই কতা আনি বিজেপি চৰকাৰৰ আমোলতে ৰাইজক বুজাই দিম। আনহাতে বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই কয়, "অসমত ৮০-৯০টা ভূমি কেন্দ্ৰিক সংঘাত চলি আছে। ইতিমধ্যে মিকিৰ বামুণী গ্ৰাণ্টত পাৱৰ প্ৰজেক্ট বহুৱাই জনজাতীয় লোকক উচ্ছেদ কৰা হৈছে। জনজাতীয় লোকৰ ৰায়তী স্বত্ব কাটি দিয়া হৈছে। জমিদাৰী প্ৰথা সমাপ্ত কৰাত যিসকলে ৰায়ত পাইছিল সেইসকলক বঞ্চিত কৰা হৈছে। বিজেপি চৰকাৰে জনজাতীয় লোকক বঞ্চিত কৰি পুনৰ জমিদাৰৰ হাতত মাটি গতাই দি ভূমিপুত্ৰক বঞ্চিত কৰি পাৱৰ প্ৰজেক্ট বহুৱাইছে। বিধানসভাত কংগ্ৰেছ প্ৰশ্ন কৰাত চৰকাৰে উত্তৰ দিব পৰা নাই। নামনি অসমৰ বিভিন্ন এলেকাত এনেদৰে মাটি দিয়া হৈছে। যাৰ বাবে বচা বচা ঠাইত চৰকাৰে উচ্ছেদ চলাইছে। কাৰো স্বাৰ্থত আঘাত নকৰাকৈ অসমীয়াৰ স্বাৰ্থ সুৰক্ষিত হ'ব লাগিব। যিসকল বিদেশী তেওঁলোক অসমত মাটি-বাৰী ল'ব নোৱাৰে সেয়া নিশ্চিত কথা।" মুখ্যমন্ত্ৰীক সমালোচনা কৰি বিৰোধী দলপতিগৰাকীয়ে আৰু কয় যে সোণাপুৰৰ ৰক্তাক্ত সংঘাতৰ সময়ত মুখ্যমন্ত্ৰীয়ে মোক দায়ী কৰিছিল। মোৰ বাবে তেনে হোৱা বুলি কৈছিল। কিন্তু সংবাদমাধ্যমে মোৰ বক্তব্য পুনৰ ৰাইজক দেখুওৱাক। মই কৈছিলো যে আইন অনুযায়ী উচ্ছেদ হ'ব লাগে। দেৱব্ৰত শইকীয়াই মুখ্যমন্ত্ৰী তথা চৰকাৰে তেওঁৰ বিৰুদ্ধে অপপ্ৰচাৰ চলাইছে বুলিও অভিযোগ কৰে।

# ছ'চিয়েল মিডিয়াক হাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

মিডিয়াৰ সৈতে জড়িতসকলৰ নিজৰ নিয়ন্ত্ৰণলৈ আনিবলৈ এটা নতুন বিভাগ গঠনৰ যো-জা কৰিছিল মোদী চৰকাৰে। ২০২৩ চনৰ তথ্য প্ৰযুক্তি আইনৰ সংশোধনীৰ জৰিয়তে গঠন কৰা এই বিভাগটোৰ নাম দিয়া হৈছিল 'ফেক্ট চেক ইউনিট'। ছ'চিয়েল মিডিয়া প্লেটফৰ্মত ভুৱা আৰু বিভ্ৰান্তিকৰ তথ্য ধৰা পেলোৱা বা চিনাক্তকৰণৰ বাবে গঠন কৰা এই ফেক্ট চেক ইউনিটক লৈ দেশজুৰি সৃষ্টি হৈছিল সৰৰ প্ৰতিক্ৰিয়াৰ। বিৰোধীয়ে অভিযোগ কৰিছিল যে তথ্য প্ৰযুক্তি আইনৰ এই সংশোধনীৰ জৰিয়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চৰকাৰৰ সমালোচনা কৰাসকলৰ মুখ বন্ধ কৰিব বিচাৰিছে। এনে অভিযোগেৰেই ন্যায়ালয়ৰ কাষ চাপে ষ্টেণ্ড আপ কমেডিয়ান কুনাল কামৰা, এডিটৰ্ছ গিল্ড অৱ ইণ্ডিয়া আৰু এছ'চিয়েশ্যন অৱ ইণ্ডিয়ান মেগাজিনে। এই আবেদনৰে শুনানি গ্ৰহণ কৰি অৱশেষত কেন্দ্ৰীয় চৰকাৰৰ ফেক্ট চেক ইউনিট অসাংবিধানিক বুলি ৰায় প্ৰদান কৰিছে বোম্বে উচ্চ ন্যায়ালয়ে। শুকুৰবাৰে এই গোচৰৰ ৰায় প্ৰদান কৰি বোম্বে উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ অতুল চন্দুৰকাৰে কয় যে এই ফেক্ট চেক ইউনিটে সংবিধানৰ ১৪ আৰু ১৯ অনুচ্ছেদৰ উলংঘা কৰিছে। উল্লেখ্য, শুকুৰবাৰৰ এই ৰায়দানৰ পূৰ্বে যোৱা ৩১ জানুৱাৰীত ন্যায়াধীশ গৌতম পেটেল আৰু ন্যায়াধীশ নীলা গোখলেৰ বিভাগীয় বিচাৰপীঠে পৃথক পৃথক ৰায়দান কৰাৰ পিছতে এই গোচৰটো তৃতীয় ন্যায়াধীশৰ ওচৰলৈ প্ৰেৰণ কৰা হৈছিল। পূৰ্বৰ ৰায়দানত ন্যায়াধীশ পেটেলে ২০২৩ চনৰ এই সংশোধনীক সাংবিধানিক নীতি উলংঘা কৰা বুলি খাৰিজ কৰাৰ বিপৰীতে ন্যায়াধীশ গোখলেয়ে নিয়মৰ বৈধতা ৰক্ষা কৰি আবেদন খাৰিজ কৰে। পিছত শুকুৰবাৰে তৃতীয় ন্যায়াধীশ চন্দুৰকাৰে ন্যায়াধীশ পেটেলৰ কথাত সন্মতি প্ৰকাশ কৰি কয় যে এই সংশোধনী অসাংবিধানিক। এই গোচৰৰ ৰায় প্ৰদান কৰি ন্যায়াধীশ চন্দুৰকাৰে কয় যে এই সংশোধনী ২০০০ চনৰ ৭৯ নং অনুচ্ছেদ আৰু সংবিধানৰ ১৪ আৰু ১৯ নং অনুচ্ছেদ অৰ্থাৎ সমতাৰ অধিকাৰ আৰু বাক স্বাধীনতাৰ অধিকাৰৰ বিৰোধী। প্ৰণিধানযোগ্য যে, এই বছৰৰ ২০ মাৰ্চত কেন্দ্ৰীয় চৰকাৰে ফেক্ট চেক ইউনিট গঠনৰ বাবে জাননী জাৰি কৰিছিল। কিন্তু পিছত উচ্চতম ন্যায়ালয়ে এই অধিসূচনা নিষিদ্ধ কৰে। এই গোচৰত দাখিল কৰা আবেদনসমূহ বোম্বে উচ্চ ন্যায়ালয়ে শুনানি গ্ৰহণ নকৰালৈকে এই নিষেধাজ্ঞা জাৰি কৰা হয়। আদালতে কয় যে এয়া মত প্ৰকাশৰ স্বাধীনতাৰ বিষয়। অন্যহাতে ষ্টেণ্ড আপ কমেডিয়ান কুনাল কামৰাকে ধৰি এই বিষয়টোৰ সন্দৰ্ভত আন কেইবাখনো আবেদনত ৩ নং নিয়মক বিশেষভাৱে প্ৰত্যাহ্বান জনায়। এই নিয়মৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে ভুৱা অনলাইন বাতৰি চিনাক্ত কৰিবলৈ ফেক্ট চেক ইউনিট গঠন কৰাৰ অধিকাৰ লাভ কৰে। আবেদনকাৰীসকলে যুক্তি আগবঢ়ায় যে এই সংশোধনীসমূহ তথ্য প্ৰযুক্তি আইনৰ ধাৰা ৭৯ৰ অধিকাৰক্ষেত্ৰৰ বাহিৰত। ইয়াৰ লগতে ই সংবিধানৰ ১৪ নং অনুচ্ছেদ (সমতাৰ অধিকাৰ) আৰু ১৯(১)(ক)(ছ) অনুচ্ছেদৰ উলংঘা কৰে। শুকুৰবাৰে ন্যায়াধীশ অতুল চন্দুৰকাৰেও একেটা কথাকে দোহাৰি এই সংশোধনী অসাংবিধানিক বুলি অভিহিত কৰে। ন্যায়ালয়ৰ এই ৰায়দানৰ পিছতে এয়া মোদী নেতৃত্বাধীন এনডিএ চৰকাৰৰ বাবে মোক্ষম আঘাত বুলি মন্তব্য কৰিছে কংগ্ৰেছকে আদি কৰি বিৰোধী দলসমূহে।

# শপত ল'লে আতিশী

■ প্ৰথম পৃষ্ঠাৰ পৰা...

বাসগৃহ 'ৰাজ নিৱাস'ত দিল্লীৰ মুখ্যমন্ত্ৰীৰূপে শপত লয় আতিশীয়ে। তেওঁৰ লগতে আম আদমী পাৰ্টিৰ ৫ বিধায়ক ক্ৰমে সৌৰভ ভৰদ্বাজ, গোপাল ৰায়, কৈলাশ গেহলট, মুকেশ আহলাৱত আৰু ইমৰাণ হুছেইনেও নতুন চৰকাৰৰ মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। এই শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত থাকে আপৰ মুৰব্বী তথা সদ্যপ্ৰাক্তন মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালো। প্ৰসংগক্ৰমে আতিশী হৈছে বৰ্তমান পশ্চিমবংগৰ মমতা বেনাৰ্জীৰ পিছতে দেশৰ দ্বিতীয়গৰাকী মহিলা মুখ্যমন্ত্ৰী। ইয়াৰ পূৰ্বে দিল্লীৰ কেন্দ্ৰীয় শাসিত অঞ্চলত দুই মহিলা ক্ৰমে বিজেপিৰ সুষমা স্বৰাজ আৰু কংগ্ৰেছৰ শীলা দীক্ষিতে মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰিছিল। উল্লেখ্য যে, দিল্লীৰ সুৰা নীতি গোচৰত প্ৰায় ৬ মাহ কাৰাগাৰত পাৰ কৰাৰ পিছত মুকলি আকাশৰ তললৈ ওলাই আহিয়েই মুখ্যমন্ত্ৰীৰ পদ ত্যাগ কৰাৰ ঘোষণা কৰিছিল অৰবিন্দ কেজৰিৱালে। ইয়াৰ পিছতে মঙলবাৰে তেওঁ উপ-ৰাজ্যপালক সাক্ষাৎ কৰি তেওঁৰ পদত্যাগ পত্ৰ অৰ্পণ কৰে। ইফালে একেদিনাই বিয়লি আপ সংসদীয় দলৰ বৈঠকত আতিশীক সৰ্বসন্মতিক্ৰমে নেতা হিচাপে নিৰ্বাচিত কৰা হয়। মুখ্যমন্ত্ৰীৰ পদ ত্যাগ কৰি অৰবিন্দ কেজৰিৱালে কয় যে দিল্লীৰ জনতাই পৰৱৰ্তী নিৰ্বাচনত তেওঁক মুখ্যমন্ত্ৰীৰূপে নিৰ্বাচিত নকৰা পৰ্যন্ত তেওঁ এই আসনত নবহে। আনহাতে আতিশীয়েও মুখ্যমন্ত্ৰী হিচাপে শপত লোৱাৰ পূৰ্বে কয় যে তেওঁৰ লক্ষ্যই হৈছে কেজৰিৱালক পুনৰ মুখ্যমন্ত্ৰীৰ আসনত উপৰিষ্ট কৰোৱা।

প্ৰথম পৃষ্ঠাৰ পৰা...

# জাৰ্মানীৰ পৰা অনা মেচিনত

পাত্ৰত এই লাড়ু প্ৰস্তুত কৰা হয়, তাক কোৱা হয় 'পটু' বুলি। ১৯৮৪ চনৰ পূৰ্বে এই লাড়ু কাঠৰ অভেনত প্ৰস্তুত কৰা হৈছিল যদিও এতিয়া গেছ ব্যৱহাৰ কৰা হয়। সময়ৰ সৈতে খোজ মিলাই এতিয়া জাৰ্মানী, অষ্ট্ৰেলিয়া আৰু ছুইজাৰলেণ্ডৰ পৰা আমদানি কৰা ৫০ কোটি টকীয়া অত্যাধুনিক মেচিনত প্ৰসাদৰ লাড়ুসমূহ প্ৰস্তুত কৰা হয়। এই মেচিনৰ আগমনৰ লগে লগে এতিয়া চাৰে তিনি লাখৰ পৰা ৫ লাখ পৰ্যন্ত লাড়ু স্বয়ংক্ৰিয়ভাৱে প্ৰস্তুত হয়। ইয়াৰোপৰি তিৰুপতি বালাজী মন্দিৰৰ এই প্ৰসাদৰ লাড়ু প্ৰস্তুত কৰিবলৈ আছে ৬০০ শ্ৰমিক। এই শ্ৰমিকসকলৰ বহু স্থায়ী শ্ৰমিক যদিও কিছুসংখ্যক ঠিকাভিত্তিক শ্ৰমিকো আছে। উল্লেখ্য যে, তিৰুপতিৰ প্ৰসাদৰ লাড়ুৰ আকাৰ অণ্ডাকৃতিৰ। ১৭১৫ চনৰ পৰা লাড়ু বনোৱাৰ প্ৰক্ৰিয়া এতিয়ালৈকে ৬ বাৰ সলনি হৈছে। বৰ্তমান লাড়ু বনাবলৈ বেচন, চেনি, কাজু বাদাম, ইলাচি, ঘিউ, মিছৰি আৰু কিচমিচ ব্যৱহাৰ কৰা হয়। ভক্তৰ বাবে লাড়ু বনাবলৈ বৰ্তমান প্ৰতিদিনে প্ৰয়োজন হয় ১০ টন বেচন, ১০ টন চেনি, ৭০০ কেজি কাজু বাদাম, ১৫০ কেজি ইলাচি, ৩০০ৰ পৰা ৪০০ লিটাৰ ঘিউ, ৫০০ কেজি মিছৰি আৰু ৫৪০ কেজি কিচমিচ। প্ৰণিধানযোগ্য যে, তিৰুপতি মন্দিৰত তিনি প্ৰকাৰৰ প্ৰসাদৰ লাড়ু আছে। য'ত আছে ৬০ৰ পৰা ৭০ গ্ৰাম ওজনৰ সৰু আকাৰৰ লাড়ু প্ৰকাথম, ৭৫০ গ্ৰাম ওজনৰ আস্থানম লাড়ু আৰু কল্যাণোৎসৱ লাড়ু। লক্ষণীয় যে, পূৰ্বৰ প্ৰতিটো লাড়ুৰ মূল্য ৫০ টকা আছিল আছিল যদিও এইবাৰ ইয়াৰ মূল্য ২৫ টকা হ্ৰাস কৰা হৈছে। আনহাতে তিৰুপতি দৰ্শনৰ বাবে ভক্তই দিব লাগে ২০০ টকা। টাইমছ অৱ ইণ্ডিয়াত প্ৰকাশিত এক প্ৰতিবেদন অনুসৰি এই প্ৰসাদৰ লাড়ুক তিৰুপতি মন্দিৰৰ আয়ৰ তৃতীয় বৃহত্তম উৎস হিচাপে বিবেচনা কৰা হয়। প্ৰসাদৰ লাড়ুৰ পৰাই বছৰি উপাৰ্জন হয় প্ৰায় ৫০০ৰ পৰা ৬০০ কোটি টকা। আনহাতে এই লাড়ু অনলাইনতো বিক্ৰী কৰা হয়। কিন্তু এতিয়া পূণ্যপীঠ তিৰুপতি মন্দিৰৰ এই প্ৰসাদৰ লাড়ুক লৈয়ে সূত্ৰপাত ঘটিছে বিতৰ্কৰ। গুজৰাটৰ এটা পৰীক্ষাগাৰে মন্দিৰৰ লাড়ুত ব্যৱহাৰ কৰা ঘিউৰ পৰীক্ষাৰ সময়ত তাত মাছৰ তেল, গো-মাংস আৰু গাহৰিৰ চৰ্বি মিহলি হৈ থকা বুলি দাবী কৰে। গুজৰাটৰ চেণ্টাৰ ফৰ এনালাইছিছ এণ্ড লাৰ্নিং ইন লাইভষ্টক এণ্ড ফুড নামৰ পৰীক্ষাগাৰটোৱে এই প্ৰতিবেদন প্ৰকাশ কৰাৰ পিছতে দেশজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। বিশেষকৈ এই প্ৰতিবেদনক লৈ অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী চন্দ্ৰবাবু নাইডু আৰু এনডিএ চৰকাৰে প্ৰাক্তন মুখ্যমন্ত্ৰী জগন মোহন ৰেড্ডীৰ বিৰুদ্ধে আক্ৰমণাত্মক ৰূপ ধাৰণ কৰাত ক্ৰমাৎ বৃদ্ধি পায় ৰাজনৈতিক উত্তেজনা। জগন মোহন ৰেড্ডীয়ে তেওঁৰ বিৰুদ্ধে উত্থাপন কৰা অভিযোগ বৰ্তমানৰ এনডিএ চৰকাৰৰ ৰাজনৈতিক ষড়যন্ত্ৰ বুলি দাবী কৰে। অন্যহাতে মন্দিৰৰ প্ৰসাদৰ লাড়ুত গো-মাংস, গাহৰিৰ চৰ্বি মিহলোৱা কাৰ্যক হিন্দুৰ বিশ্বাসক অপমান বুলি অভিহিত কৰিছে হিন্দু সমাজে। এই বিষয়টোৱে এতিয়া উচ্চতম ন্যায়ালয়ৰ মজিয়াও পাইছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# দীপাংকৰৰ পিতৃ-মাতৃক

আছে। বৰ্তমানেও পলাতক হৈ আছে ট্ৰেডিং কেলেংকাৰীৰ সৈতে জড়িত ৰৌ-বৰালি। আজি পলাতক ট্ৰেডিং কেলেংকাৰীৰ অন্যতম খলনায়ক দীপাংকৰ বৰ্মনৰ পৰিয়ালৰ লোকক গ্ৰেপ্তাৰ কৰিছে গুৱাহাটী আৰক্ষীয়ে। পুত্ৰ বৰ্তমানে পলাতক যদিও আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে পিতৃ-মাতৃক। শনিবাৰে পুৱা পাণবজাৰ আৰক্ষীয়ে দীপাংকৰৰ কেলেংকাৰী সন্দৰ্ভত সোধ-পোছৰ বাবে আৰক্ষী থানালৈ মাতি আনিছিল পিতৃ-মাতৃ আৰু চাৰ্টাৰ্ড একাউণ্টেণ্ট মহেশ আগৰৱালাক। সোধ-পোছৰ অন্তত আৰক্ষীয়ে পিতৃ চবিন বৰ্মন, মাতৃ দীপালি তালুকদাৰ আৰু চাৰ্টাৰ্ড একাউণ্টেণ্ট মহেশ আগৰৱালাক গ্ৰেপ্তাৰ কৰে। আবেলি আৰক্ষীয়ে পিতৃ চবিন বৰ্মন, মাতৃ দীপালি তালুকদাৰ আৰু চাৰ্টাৰ্ড একাউণ্টেণ্ট মহেশ আগৰৱালাক ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰায়। দীপাংকৰে পিতৃ-মাতৃৰ একাউণ্টৰ জৰিয়তে কোটি কোটি টকাৰ লেনদেন কৰাৰ তথ্য লাভ কৰিছিল পাণবজাৰ আৰক্ষীয়ে। ধন লেন-দেনৰ সঠিক তথ্য দিব নোৱাৰাত আৰক্ষীয়ে পিতৃ-মাতৃ আৰু চিএক গ্ৰেপ্তাৰ কৰে। মহানগৰীৰ উলুবাৰীত ডি.বি ষ্টক ব্ৰকিং কনছালটেন্সী নামৰ বিত্তীয় প্ৰতিষ্ঠান খুলি কোটি কোটি টকা লুণ্ঠন কৰি পলাতক হৈ আছে প্ৰৱঞ্চক দীপাংকৰ বৰ্মন। আৰক্ষীয়ে দীপাংকৰ বৰ্মনক বিচাৰি প্ৰায় এটা কুৰি দিন ধৰি অভিযান চলাই আহিছে যদিও কেইখনমান বিলাসী বাহনৰ বাহিৰে আজিলৈ দীপাংকৰৰ শুংসূত্ৰ উলিয়াব পৰা নাই। উল্লেখ্য যে, অসমত পোন প্ৰথমে ট্ৰেডিং কেলেংকাৰীত নাম সাঙোৰ খাইছিল দীপাংকৰ বৰ্মনৰ নাম। ট্ৰেডিঙৰ নামত বিভিন্ন লোকৰ পৰা কেইবা কোটি টকা সংগ্ৰহ কৰিছিল দীপাংকৰে। কিন্তু সেই টকা সঠিক ঠাইত বিনিয়োগ নকৰি লাহ-বিলাহত উৰুৱাই দিছিল। দামী দামী গাড়ী কিনিছিল। তাৰ পাছতে প্ৰৱঞ্চনাৰ কথা পোহৰলৈ অহাত দীপাংকৰে পলায়ন কৰে। ২০১৮ত ডি বি ষ্টক ব্ৰকিং নামৰ কাৰ্যালয় বহুৱাই দীপাংকৰৰ বিৰুদ্ধে শতাধিক লোকে পল্টনবজাৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছিল। অৱশ্যে আজি কেবাদিনো হৈ গ'ল যদিও প্ৰৱঞ্চক দীপাংকৰ বৰ্মনৰ কোনো শুংসূত্ৰ আৰক্ষীয়ে লাভ কৰিব পৰা নাই।

# মৰিগাঁৱত শিক্ষক সন্মিলনীৰ জলবায়ু পৰিৱৰ্তনৰ সজাগতা কাৰ্যসূচী

**ই-সংবাদ, মৰিগাঁও, ২১ ছেপ্টেম্বৰঃ** মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত আজি জিলাখনৰ কপিলী, ভূৰবন্ধা, মায়ং আৰু লাহৰীঘাট শিক্ষাখণ্ডৰ লগতে মৰিগাঁও সদৰৰ বহুকেইখন প্ৰাথমিক বিদ্যালয়ত জলবায়ু পৰিবৰ্তনৰ এক সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উল্লেখ্য যে অখিল ভাৰতীয় শিক্ষক সংঘৰ আহ্বান মৰ্মে অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত আজি ২১ ছেপ্তেম্বৰত বিশ্ব শান্তি দিৱস উপলক্ষে সমগ্ৰ অসমৰ প্ৰাথমিক বিদ্যালয় সমূহত প্ৰাতঃসভাৰ সময়ত শিক্ষাৰ্থী আৰু অভিভাৱকসকলৰ উপস্থিতিত পৃথিৱীত জলবায়ুৰ পৰিবৰ্তনৰ ফলত হোৱা ভয়ংকৰ পৰিস্থিতিৰ বিষয়ে এক সজাগতাৰ পৰিবেশ সৃষ্টি কৰা হয়। লগতে বিদ্যালয় বৰ্হিভূত শিশুসকলক বিদ্যালয়মুখী কৰিবৰ বাবে একোখনকৈ বেনাৰ বিদ্যালয়ৰ চৌহদত আঁৰি দিয়া হয়। ইয়াৰে অংশস্বৰূপে আজি মৰিগাঁও সদৰ শিক্ষক কেন্দ্ৰৰ অন্তৰ্ভুক্ত এৰাগাঁও প্ৰাথমিক বিদ্যালয়ত মৰিগাঁও জিলাৰ বিদ্যালয় সমূহৰ উপ-পৰিদৰ্শক সমৰ বৰুৱাই এটি নাহৰ গছৰ পুলি ৰোপন কৰি সজাগতা কায্যসূচীৰ শুভাৰম্ভ কৰে। তেঁও ব্যাপক বনানিকৰণৰ জৰিয়তে অসমৰ জলবায়ুৰ আশাপ্ৰদ পৰিবৰ্তন হ'ব বুলি মন্তব্য আগবঢ়ায়। অনুষ্ঠানত মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি মিহিৰ হাজৰিকা, সাধাৰণ সম্পাদক মানস প্ৰতীম পাটৰ, উপ-সভাপতি চালেহ উদ্দিন আহমেদ, লুকুমণি গগৈ, ৰাজ্যিক সদস্যা চাৰ্লিনা দাস, সাংগঠনিক সম্পাদক অজিত কুমাৰ বৰদলৈৰ লগতে বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী ৰিন্টুমনি শৰ্মা আৰু অনান্য শিক্ষক সকলৰ উপস্থিতিত থাকে। সজাগতা কাৰ্যসূচীৰ লগত সংগতি ৰাখি ভূৰবন্ধা শিক্ষা খণ্ডৰ অন্তৰ্গত ঔগুৰি প্ৰাথমিক বিদ্যালয়ত এখন সভা অনুষ্ঠিত হয়। ইয়াৰ পাছতে ভূৰবন্ধা খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ৰবীন্দ্ৰ কুমাৰ পাঠকে বিদ্যালয়খনৰ শ্ৰেণী কোঠাত ছাত্ৰ ছাত্ৰীক পাঠদান কৰি শিক্ষকসকলৰ মনোবল বৃদ্ধি কৰে।

# বিজেপি শাসিত ওড়িশাত আৰক্ষী থানাৰ ভিতৰতে সংঘটিত দেশক লজ্জানত কৰা ঘটনা



■ থানালৈ গৈ বিপদত সেনা বিষয়া

■ সেনা বিষয়াৰ বাকদত্তাক ৫ আৰক্ষীয়ে চলালে যৌন নিৰ্যাতন

■ আৰক্ষীৰ অস্বীকাৰ, চিচিটিভি ফুটেজত বন্দী ঘটনাৰ বুকু কঁপোৱা দৃশ্য

**ভুৱনেশ্বৰ, ২১ ছেপ্টেম্বৰঃ** ওড়িশাত এগৰাকী সেনা বিষয়াৰ বাগদত্তাক আৰক্ষীয়ে দলবদ্ধ যৌন নিৰ্যাতন চলোৱা কাণ্ডক লৈ দেশত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। ওড়িশাত এজন সেনা মেজৰ আৰু তেওঁৰ বাগদত্তাক ভুৱনেশ্বৰৰ আৰক্ষী থানাত যৌন নিৰ্যাতন চলোৱা হৈছিল। সেনা মেজৰৰ বাগদত্তাই খোদ কৰ্তব্যৰত আৰক্ষীৰ বিৰুদ্ধে যৌন নিৰ্যাতনৰ অভিযোগ উত্থাপিত কৰা বিষয়টোকে দেশজুৰি চাঞ্চল্যৰ সৃষ্টি কৰাৰ লগতে ওড়িশাৰ ৰাজনীতি গৰম হৈ পৰিছে। নাৰীৰ সুৰক্ষাক লৈ গৰম হৈছে ওড়িশাৰ ৰাজনীতি। ঘটনাক গৰিহণা দি এয়া আচৰিত কাণ্ড বুলি অভিহিত কৰে প্ৰাক্তন মুখ্যমন্ত্ৰী, বিজু জনতা দলৰ সভাপতি তথা বিৰোধী দলৰ নেতা নবীন পাটনায়কে। ঘটনাক লৈ ন্যায়িক তদন্তৰ দাবী উত্থাপন কৰিছে নবীন পাটনায়কে। নবীন পাটনায়কে আদালতৰ নিৰীক্ষণত এছ আই টি গঠন কৰি তদন্ত কৰাৰ দাবী উত্থাপন কৰাৰ লগতে ন্যায়িক তদন্তৰ দাবী জনায়। অভিযোগ মতে, ওড়িশাৰ ভৰতপুৰ আৰক্ষী থানাত এগৰাকী সেনা মেজৰ আৰু তেওঁৰ বাগদত্তাক যৌন নিৰ্যাতন চলোৱা হৈছিল। আৰক্ষীৰ কাণ্ডক লৈ দেশৰ সচেতন নাগৰিকৰ বিবেকক জোকাৰি গৈছে। দেশক সেৱা কৰা সেনা বিষয়া আৰু তেওঁৰ হ'বলগীয়া পত্নীক বাৰে বাৰে শ্লীলতা হানি কৰা হৈছিল। আজি নাৰীবাদী সংগঠনে শুকুৰবাৰে আৰক্ষী ভৱনৰ সন্মুখত ধৰ্ণা দিয়ে। সেনা বিষয়াৰ ফিয়াঞ্চিৰ যৌন নিৰ্যাতনৰ অভিযোগত জড়িত অভিযুক্ত আৰক্ষীক গ্ৰেপ্তাৰৰ দাবী জনায়। তাৰ পাছতে ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত পাঁচজন আৰক্ষীক চাকৰিৰ পৰা নিলম্বন কৰা হৈছে। ওড়িশা আৰক্ষীয়ে কয় যে ভুৱনেশ্বৰৰ ভৰতপুৰ আৰক্ষী থানাত এজন সেনা বিষয়াক আক্ৰমণ আৰু তেওঁৰ ফিয়াঞ্চিক উৎপীড়নৰ সন্দৰ্ভত পাঁচজন কৰ্মচাৰীক নিলম্বন কৰা হৈছে। আৰক্ষী সঞ্চালক প্ৰধান ৱাই বি খুৰানিয়াই জাৰি কৰা এক নিৰ্দেশ অনুসৰি পাঁচজন আৰক্ষী কৰ্মীক ঘোৰ অসদাচৰণৰ অভিযোগত নিলম্বিত কৰা হৈছে। ঘটনাৰ বিৱৰণ মতে, ১৪ ছেপ্টেম্বৰত ভুৱনেশ্বৰত ঘৰলৈ উভতিৰ সময়ত সেনা বিষয়া আৰু তেওঁৰ ফিয়াঞ্চিক হঠাতে অচিনাক্ত গুণ্ডাৰ এটা দলে খেদি আহে। সুৰক্ষাৰ বাবে নিকটতম আৰক্ষী চকীলৈ আহে। সেই সময়তে এজন আৰক্ষী পৰিদৰ্শকসহ কেইবাগৰাকী আৰক্ষীয়ে বক্ষক বাৰে বাৰে হাত দিছিল। বাধা দিয়াত আৰক্ষীয়ে দুয়োজনকে নিৰ্মমভাৱে আক্ৰমণ কৰিছিল। তাৰ পাছতে যুৱতীক বিবস্ত্ৰ কৰি যৌন নিৰ্যাতন কৰিছিল আৰু শাৰীৰিক ভাৱে অত্যাচাৰ কৰা হৈছিল। ভৰি স্কাৰ্ফেৰে বান্ধি যৌন উৎপীড়ন চলাই শেষত চুলিত ধৰি টানি নিছিল। নিজকে ৰক্ষা কৰিবলৈ এক আকুল প্ৰচেষ্টাত যুৱতীয়ে এজন বিষয়াক কামুৰিছিল বুলি অভিযোগ কৰিছে। পৰৱৰ্তী সময়ত আৰক্ষী বিষয়াসকলে তেওঁলোকক গ্ৰেপ্তাৰ কৰি লকআপত থয়। পাছত গোচৰ ৰুজু কৰি জেল হাজোতলৈ প্ৰেৰণ কৰে যদিও ন্যায়ালয়ে জামিন প্ৰদান কৰে। ১৯ ছেপ্টেম্বৰত যুৱতীয়ে আঘাতৰ পৰা আৰোগ্য হৈ জিম্মাৰ পৰা মুকলি হয়। পিছত সংবাদ মাধ্যমত ঘটনাক লৈ বৰ্ণনা দি আৰক্ষীৰ বিৰুদ্ধে গোচৰ ৰুজু কৰে। বিৰোধী দলে বিজু জনতা দলে কয় যে ঘটনাই ৰাজ্যৰ বিজেপি চৰকাৰৰ অযোগ্যতাকে সূচাইছে। ৰাজ্যপাল ৰঘুবৰ দাসৰ পুত্ৰই ওড়িয়া বিষয়াক কৰা আক্ৰমণ হয়। বিজু জনতা দলৰ মুৰব্বী পাটনায়কে কয় যে যিদিনা বিজেপি চৰকাৰে আক্ৰমণৰ গুৰুতৰ গোচৰত ৰাজ্যপালৰ পুত্ৰৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ অস্বীকাৰ কৰিছিল তেতিয়াই আনসকলে উৎসাহিত হৈছিল। মই এতিয়াও ৰাজ্যপালৰ পুত্ৰৰ বিৰুদ্ধে চৰকাৰক ব্যৱস্থা ল'বলৈ দাবী জনাইছো। এনেদৰে এতিয়া ঘটনাটোক লৈ উত্তাল হৈ পৰিছে সমগ্ৰ দেশ।

## মোৰাঝাৰত উন্নয়ন খণ্ড স্থাপনৰ দাবী ৰাইজৰ

**ই-সংবাদ, মোৰাঝাৰ, ২১ ছেপ্টেম্বৰঃ** হোজাই জিলাৰ নৱগঠিত বিন্নাকান্দি সমষ্টিত এটি মাত্ৰ উন্নয়ন খণ্ড আছে। য'ত ২৯ টা গাঁও পঞ্চায়ত সংলগ্ন হৈ আছে। চৰকাৰৰ শেহতীয়া বিধি অনুসৰি ১৭ টা গাঁও পঞ্চায়তেৰে এটি উন্নয়ন খণ্ড হব লাগে। তেনেসময়ত বিন্নাকান্দি সমষ্টিৰ মোৰাঝাৰত আন এটি উন্নয়ন খণ্ড স্থাপন কৰিবলৈ ৰাইজৰ দীৰ্ঘদিনীয়া দাবী আছিল। উল্লেখ্য যে মোৰাঝাৰত পৰ্যাপ্ত চৰকাৰী ভূমিও আছে। সেই স্থানসমূহ পৰিদৰ্শন কৰি যথাবিহিত ব্যৱস্থা লোৱাৰ বাবে মোৰাঝাৰৰ ৰাইজ আৰু দল-সংগঠনে দাবী জনাই স্মাৰকপত্ৰ প্ৰদান কৰে। ২০১৫ চনৰ ছেপ্টেম্বৰ মাহত ৰাজ্যপালৰ কাৰ্যালয়ৰ পৰা এখন খচৰা আদেশ পত্ৰ জাৰি কৰা হৈছিল (Notification No- PNB/96/2013/357 Dated- 21/09/2015) নং ড্ৰাফট মতে পূৰ্বৰ যমুনামুখ সমষ্টিৰ ১২ খন পঞ্চায়তক সাঙুৰি মোৰাঝাৰ উন্নয়ন খণ্ড স্থাপন কৰাৰ কথা আছিল। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে ৯ বছৰ উকলি যোৱাৰ পিছতো আজিলৈকে উক্ত কামটোৰ কোনো অগ্ৰগতি হোৱা নাই। ৰাইজে উক্ত দাবীলৈ সঁহাৰি জনাব বুলি আশাৰে বাট চাই ৰৈছে যদিও জিলা প্ৰশাসন আৰু চৰকাৰে কেনে ব্যৱস্থা লয় সেয়া সময়ত লক্ষণীয় হ'ব।

# বৰপেটা সত্ৰত মথুৰাদাস বুঢ়া আতাৰ কীৰ্তন মহোৎসৱ



বৰপেটা সত্ৰত মথুৰাদাস বুঢ়া আতাৰ কীৰ্তন মহোৎসৱৰ এটি দৃশ্য

**ই-সংবাদ, বৰপেটাঃ** ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰত ৩৮৪ সংখ্যক কীৰ্তন মহোৎসৱ পালন কৰা হয়। কাৰ্যসূচী অনুসৰি সত্ৰত গায়ন-বায়নে গুৰুঘাট বজাই ভোজন ব্যৱহাৰ অংক পৰিবেশন কৰে। ঘোষা কীৰ্তন আৰু বিয়লি ব্যাহ কীৰ্তন পৰিৰেশন কৰা হয়। শ্ৰী শ্ৰী মথুৰাদাস বুঢ়া আতাৰ কীৰ্তন মহোৎসৱৰ উপলক্ষে থুল নহাটীৰ ভক্তসকলে শোভাযাত্ৰা উলিয়াই। নহাটীস্থিত শ্ৰী শ্ৰী মথুৰাদাস বুঢ়া আতাৰ ভিঠিৰ পৰা গায়ন বায়ন, ব্যাহ কীৰ্তন, নাম কীৰ্তনীয়া আৰু বৰপেটা সত্ৰৰ ডেকা সত্ৰীয়া গৌতম পাঠক, মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱ গোস্বামী, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰ প্ৰমুখ্যে ভকত বৈষ্ণৱসকলে কাৰ্যসূচীত উপস্থিত থাকে। সত্ৰনগৰী বৰপেটাৰ প্ৰায় প্ৰত্যেক পৰিয়ালে কৰভাৰত প্ৰদান কৰা সামগ্ৰীসমূহ সত্ৰৰ দ্বাৰা নিয়োজিত বৰাৰ জড়িয়তে নিৰ্মালী স্বৰূপে লাভ কৰে। ১৭ ছেপ্টেম্বৰত শ্ৰী শ্ৰী মথুৰা দাস বুঢ়াআতাৰ কীৰ্তন থাপনা কৰাৰ দিনৰে পৰা মূল সবাহৰ দিনালৈকে তাল ভংগ নোহোৱাকৈ চলি আছিল নিবিড় কীৰ্তন। নিশা বৰপেটা সত্ৰৰ সূত্ৰধাৰ বংশই ধেমালি বজোৱাৰ অন্তত শ্ৰী শ্ৰী মথুৰাদাস বুঢ়া আতাৰ কীৰ্তন মহোৎসৱৰ সামৰণি পৰে। শ্ৰী শ্ৰী মথুৰাদাস বুঢ়া আতা পুথিভঁড়ালৰ উদ্যোগত দুদিনীয়াকৈ আয়োজন কৰা কীৰ্তন মহোৎসৱৰ নিশা সাংস্কৃতিক অনুষ্ঠানৰ লগতে নাট পৰিবেশন কৰা হয়।

## ২৪ ঘণ্টাৰ ১৫ ঘণ্টাই নাথাকে বিদ্যুৎ, দহি নিছে উৎকট গৰমে

# বিদ্যুৎ বিভাগৰ মইমতালিত অতিষ্ঠ মৈৰাবাৰীৰ সাধাৰণ জনতা

**ই সংবাদ, মৈৰাবাৰী ২১ ছেপ্টেম্বৰঃ** বিগত কেইবাদিন ধৰি ৰাজ্যজুৰি দহিছে উৎকট গৰমে। পাৰাস্তম্ভ দিনক দিনে বৃদ্ধি হৈ পাইছেগৈ চল্লিশৰ ঘৰ। এফালে চলিছে স্মাৰ্ট মিটাৰ বিতৰ্ক, আনফালে সাধাৰণ ৰাইজে জ্বলা কলা খাইছে বিদ্যুতৰ নাটনিৰ বাবে। মৰিগাঁও জিলাৰ লাহৰিঘাট বিদ্যুত উপ সংগমণ্ডলৰ অধীনস্থ মৈৰাবাৰীৰ ৰাইজে বৰ্তমান সময়ত যমৰ যাতনা ভুগিব লগা হৈছে অনিয়মীয়া বিদ্যুৎ যোগানৰ বাবে। বিগত তিনি মাহে নিয়মীয়া বিদ্যুৎ পোৱাতো দূৰৰ কথা ২৪ ঘণ্টাত পোন্ধৰ ঘণ্টাই নাথাকে বিদ্যুৎ। মৈৰাবাৰীৰ কাষৰীয়া গাঁও ক্ৰমে হাতীমূৰীয়া, দক্ষিণ মৈৰাবাৰী, লোচনাৱৰী, লেংৰিবৰী, চহৰীয়া গাঁও, শগুণবাহী, আদি গাঁৱৰ লগতে মৈৰাবাৰী বজাৰ এলেকা সমূহত বৰ্তমান সময়ত বিদ্যুৎ গ্ৰাহক সকলে নিয়মীয়া বিদ্যুত মাচুল দিয়াৰ পিছতো বঞ্চিত লবলগীয়া হৈছে নিয়মীয়া বিদ্যুৎ যোগানৰ পৰা। মৈৰাবাৰী বজাৰৰ ব্যৱসায়িক প্ৰতিষ্ঠানসমূহে ভৰিব লগা হৈছে অতিৰিক্ত বিদ্যুৎ মাচুল। ব্যৱসায়ীয়ে এখন ফেন, এটা বাল্ব আৰু এটা ফ্ৰীজ ব্যৱহাৰ কৰি ২২০০ টকা পৰ্যন্ত ভৰিব লগা হোৱাৰ উদাহৰণ আছে। আনহাতে কোনোবাই একেবাৰে বিদ্যুৎ ব্যৱহাৰ নকৰাকৈও ভৰিছে ২৪০০ টকা পৰ্যন্ত অতিৰিক্ত বিদ্যুৎ মাচুল। ভুক্তভোগীয়ে লাহৰিঘাট বিদ্যুত বিভাগৰ ভাৰপ্ৰাপ্ত বিষয়াক লিখিত অভিযোগ দিওঁ নিৰাশ হৈছে বহু লোক। আনহাতে মৈৰাবাৰীৰ একাংশ বিদ্যুত বিভাগৰ অস্থায়ী কৰ্মচাৰীয়ে অবৈধভাৱে অঞ্চলটোত গঢ়ি উঠা ইণ্ডাষ্ট্ৰী বোৰৰ পৰা গোপন বুজাবুজিৰে নিজৰ মুনাফাৰ বাবে গাঁওসমূহত বিদ্যুত কৰ্তন কৰি ইণ্ডাষ্ট্ৰীবোৰত বিদ্যুৎ যোগান দিয়া বুলি অভিযোগ উত্থাপন হোৱাৰ উপৰিও একাংশ অস্থায়ী কৰ্মচাৰীয়ে গ্ৰাহকৰ পৰা নতুন সংযোগ দিয়াৰ নামত পাঁচৰ পৰা দহ হেজাৰ টকা উৎকোচ লোৱাৰো তথ্য পোৱা গৈছে। চৰকাৰে গ্ৰাহক সকলৰ সুবিধাৰ্থে বিনামূলীয়া হেল্প লাইন নম্বৰ দিছে যদিও ফোনত অভিযোগ দিলে ওলোটা গ্ৰাহক সকলক দুৰ্ব্যৱহাৰ কৰাৰো গুৰুতৰ অভিযোগ উত্থাপিত হৈছে বিদ্যুৎ বিভাগৰ একাংশ কৰ্মচাৰীৰ বিৰুদ্ধে। বৃহত্তৰ মৈৰাবাৰী অঞ্চলত বিদ্যুৎ বিভাগৰ এনে মইমতালিৰ বিৰুদ্ধে বিভিন্ন দল-সংগঠনে প্ৰতিবাদ কৰাৰ পিছতো আজি পৰ্যন্ত পোৱা নাই কোনো সুফল। মৈৰাবাৰীত বিভাগটোৱে এখন কনট্ৰল ৰুম স্থাপনৰ কাম কৰি আছে যদিও সেয়াও আজি পৰ্যন্ত কাৰ্যক্ষম হৈ উঠা নাই বৰঞ্চ কনট্ৰল ৰুমৰ বাবে পথ মুকলি কৰাৰ বাবে পথৰ দাঁতিত পূৰ্ণগতিত উচ্ছেদ কৰি বহু দৰিদ্ৰ ব্যৱসায়ীৰ দোকান পোহাৰ বন্ধ কৰি উচ্ছেদৰ নাটক কৰিছিল যদিও সেই দোকান পোহাৰ বোৰ পুনৰ মৈৰাবাৰী গ্ৰাম্য হস্পিতালৰ সন্মুখৰ লগতে কনট্ৰল ৰুমলৈ যোৱা পথৰ দাঁতিত অবৈধবাবে গঢ় লৈ উঠিছে। মৈৰাবাৰী অঞ্চলত বিদ্যুৎ বিভাগৰ এনে গাফিলতিৰ বাবে প্ৰায়েই বিদ্যুত পৰিবাহী তাৰ ছিগি পৰাটো তেনেই সাধাৰণ কথা। কোনো নেট ব্যৱহাৰ নকৰি যেনি তেনে তাৰবোৰ জোৰা লগাই পুনৰ কাৰ্যক্ষম কৰি তোলাত ভৱিষ্যতে সেই তাৰবোৰ ছিগি যে ডাঙৰ দুৰ্ঘটনা সংগঠিত হব তাত কোনো সন্দেহ নাই। স্মাৰ্ট মিটাৰ লগাই সাধাৰণ ৰাইজক মাধমাৰ দিয়া বিভাগটোৱে মৈৰাবাৰীৰ ৰাইজৰ অভিযোগত কি ব্যৱস্থা কৰিব সেয়া সময়ত হ'ব লক্ষণীয় বিষয়।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# পণ্টে স্পৰ্শ কৰিলে ধোনীৰ অভিলেখ




**চেন্নাই, ২১ ছেপ্টেম্বৰঃ** বাংলাদেশৰ বিপক্ষে চলিত চেন্নাই টেষ্টৰ জৰিয়তে টেষ্ট ক্ৰিকেটলৈ দুৰন্ত প্ৰত্যাৱৰ্তন ঘটাইছে তাৰকা ক্ৰিকেটাৰ ঋষভ পণ্টে। ভয়াৱহ দুৰ্ঘটনাত মৃত্যুৰ মুখৰ পৰা কথমপি প্ৰাণৰক্ষা পৰাৰ পিছত আঘাতৰ সৈতে যুঁজি সুদীৰ্ঘ প্ৰায় দুটা বছৰৰ পিছত ক্ৰিকেটলৈ প্ৰত্যাৱৰ্তন ঘটাই চমকপ্ৰদ প্ৰদৰ্শন দাঙি ধৰে পণ্টে। প্ৰথম ইনিংছত দলৰ বিপৰ্যয়ৰ সময়ত ৩৯ ৰানৰ এক গুৰুত্বপূৰ্ণ ইনিংছ খেলা পণ্টে আজি দ্বিতীয় ইনিংছত খেলে এক শতকীয় ইনিংছ। এই দৰ্শনীয় শতকেৰে পণ্টে কেৱল টেষ্ট ক্ৰিকেটলৈ ৰাজকীয় প্ৰত্যাৱৰ্তনেই নহয়, এক অনন্য কৃতিত্বও অৰ্জন কৰিছে। কালিৰ ১২ ৰাণৰ ব্যক্তিগত স্ক'ৰৰ পৰা ইনিংছ আৰম্ভ কৰি পণ্টে গিলৰ সৈতে যুটি বান্ধি বাংলাদেশৰ সমুখত প্ৰতিৰোধ গঢ়ি তোলে। ১২৮টা বলত ১৩টা চাৰি আৰু ৪টা ছয়েৰে ১০৯ ৰান সংগ্ৰহ কৰি বিদায় লয় পণ্টে। টেষ্ট ফৰ্মেটৰ এগৰাকী সফল তাৰকা হিচাপে নিজকে প্ৰতিষ্ঠা কৰি পণ্টে আজি অৰ্জন কৰে ষষ্ঠটো টেষ্ট শতক। ইয়াৰ লগে লগে পণ্টে ভাৰতীয় উইকেটকীপাৰ হিচাপে মহেন্দ্ৰ সিং ধোনীৰ নামত থকা সৰ্বাধিক টেষ্ট শতকৰ অভিলেখ স্পৰ্শ কৰে। ধোনীয়ে নিজৰ টেষ্ট কেৰিয়াৰত ৯০খন টেষ্টত ৬টা শতক অৰ্জন কৰাৰ বিপৰীতে পণ্টে মাত্ৰ ৩৪ সংখ্যক টেষ্টতে এই অভিলেখ স্পৰ্শ কৰে।



# কোকৰাঝাৰাত ৰাজ্যপালৰ মন্তব্য

# অসমত এতিয়া বিৰাজ কৰিছে শান্তিয়ে

**ই-সংবাদ, কোকৰাঝাৰ, ২১ ছেপ্টেম্বৰঃ** বিকাশৰ বাবে প্ৰয়োজন শান্তিৰ, সুখৰ কথা যে অসমত শান্তি বিৰাজ কৰি আছে আৰু যাৰ বাবেই ৰাজ্যত বিকাশ হৈছে। এই মন্তব্য প্ৰকাশ কৰিছে ৰাজ্যপাল লক্ষণ প্ৰসাদ আচাৰ্যই। আজি বিটিচি চৰকাৰৰ দ্বাৰা কোকৰাঝাৰৰ বড়োফা সাংস্কৃতিক প্ৰকল্পৰ প্ৰেক্ষাগৃহত আয়োজিত হোৱা আন্ত:ৰাষ্ট্ৰীয় শান্তি দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি ৰাজ্যপাল লক্ষণ প্ৰসাদ আচাৰ্যই উক্ত মন্তব্য প্ৰকাশ কৰিছে। এদিনীয়া কাৰ্যসূচীৰে কোকৰাঝাৰ ভ্ৰমণলৈ অহা ৰাজ্যপাল লক্ষণ প্ৰসাদ আচাৰ্যই বড়োফা সাাংস্কৃতিক প্ৰকল্পত আয়োজিত হোৱা আন্ত:ৰাষ্ট্ৰীয় শান্তি দিৱসৰ কাৰ্যসূচী বন্তি প্ৰজ্বলেনেৰে শুভাৰম্ভ কৰে। আন্ত:ৰাষ্ট্ৰীয় শান্তি দিৱস উদযাপনে শান্তি আৰু সম্ভাৱ বৃদ্ধি কৰিব বুলি মন্তব্য কৰি ৰাজ্যপালে সকলোকে আন্ত:ৰাষ্ট্ৰীয় শান্তি দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰে। ইপিনে বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে উক্ত অনুষ্ঠানত উপস্থিত থাকি কয় যে এটা সময়ত এই অঞ্চলত দীঘলীয়া অশান্তিয়ে বিৰাজ কৰিছিল আৰু হত্যা -হিংসা, ভয়-ভীতৰ পৰিৱেশ আছিল। ২০২০ চনত সম্পন্ন হোৱা বিটিআৰ শান্তি চুক্তিৰ পিছতে অঞ্চলটোলৈ শান্তি ঘূৰি আহিছে। তেওঁ কয়, শান্তি এনেই ঘূৰি অহা নাই, তাৰ বাবে বহু কষ্ট কৰিব লগীয়া হৈছে। শান্তিৰ পৰিৱেশ চিৰযুগমীয়া কৰাৰ বাবে কিছুমান প্ৰচেষ্টা হাতত লোৱা হৈছে। শান্তি-সম্প্ৰীতি অটুট ৰখাৰ বাবে যোৱাবছৰৰ পৰাই বড়োলেণ্ডত আৰম্ভ হৈছে হেপীনেছ মিচন। আজি বড়োফা সাংস্কৃতিক প্ৰকল্পত আয়োজিত হোৱা আন্ত:ৰাষ্ট্ৰীয় শান্তি দিৱসত ২৩ টা সংগঠনৰ নেতৃবৰ্গই ভাগ লৈছে। মূলসুতিলৈ ঘূৰি অহা সশস্ত্ৰ সংগঠনৰ সকলো সদস্যক কৃতজ্ঞতা জ্ঞাপন কৰি প্ৰমোদ বড়োৱে কয় যে সমাজখনত শান্তি বৰ্তাই ৰাখিবলৈ সকলোৱে প্ৰচেষ্টা কৰিব লাগিব। পূৰ্বৰ চৰকাৰৰ দিনত হত্যা-হিংসা হৈছিল, শান্তিৰ বাতাবৰণ নোহোৱা হৈছিল বুলি মন্তব্যৰে বৰ্তমানৰ বিটিআৰ চৰকাৰে জনমুখী কাম কৰি আছে আৰু শান্তি ধৰি ৰাখিবলৈও প্ৰয়াস কৰিছে বুলি কয় বড়োৱে। বিটিআৰত কেন্দ্ৰ-ৰাজ্য আৰু বিটিআৰ চৰকাৰৰ ৩০ খনকৈ ফ্লেগশ্বীপ আঁচনি চলি আছে বুলি উল্লেখ কৰি কৰে প্ৰমোদ বড়োৱে। ইপিনে ভূটানৰ জেলত আৱদ্ধ হৈ থকা ৬ জনকৈ এনডিএফবি সদস্যক কালি ঘূৰাই অনা হৈছে বুলি আজি প্ৰমোদ বড়োৱে সংবাদমেলত উল্লেখ কৰিছে। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ভূটানলৈ বাৰ্তা প্ৰেৰণ কৰাৰ পিছতেই ৬ জনকৈ এনডিএফবি সদস্যৰ মুক্তিলাভ হ'ল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে। তেওঁলোকক সদ্যহতে নিয়মানুসৰে আনুষ্ঠানিকতা সম্পূৰ্ণ কৰাৰ বাবে গুৱাহাটীলৈ লৈ যোৱা হৈছে বুলি উল্লেখ কৰি নেপালৰ জেলতো এজন এনডিএফবি সদস্য বন্দী হৈ আছে বুলি সদৰী কৰে প্ৰমোদ বড়োৱে। যোৱাবছৰ বিধায়ক লৰেঞ্চ ইছলাৰী আৰু বিটিচিৰ পাৰিষদ মাধৱ ছেত্ৰী নেপালত গৈ এনডিএফবি সদস্যজনক সাক্ষাৎ কৰিছে বুলি মন্তব্য কৰে প্ৰমোদ বড়োৱে। আনহাতে ভুটানৰ পৰা ঘূৰি অহা ছয় এনডিএফবি সদস্যক আত্মসংস্থাপন দিয়াৰ বাবে প্ৰচেষ্টা চলোৱা হ'ব আৰু পুনৰ সংস্থাপনৰ বাবে ৪ লাখকৈ টকা পাব বুলি উল্লেখ কৰে প্ৰমোদ বড়োৱে। উল্লেখ্য যে আজি আন্ত:ৰাষ্ট্ৰীয় শান্তি দিৱস উদযাপনৰ কাৰ্যসূচীত লেখক -সাংবাদিক নিৰ্জা চৌধুৰী, নাগালেণ্ডৰ নিকেটু ইৰাণু, বিটিচিৰ উপ মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ বসুমতাৰী, অধ্যক্ষ কাতিৰাম বড়ো, জ্যেষ্ঠ সাংবাদিক ৰাছবীৰ হুছেইন আদিকে ধৰি বহু বিশিষ্টই অংশগ্ৰহণ কৰে। প্ৰণিধানযোগ্য যে উক্ত অনুষ্ঠানৰ পিছতে ৰাজ্যপালে বড়োলেণ্ড বিশ্ববিদ্যালয়ত উপস্থিত হয় আৰু ফেকাল্টি-শিক্ষাৰ্থীৰ সতে মত বিনিময় কৰে। তাৰপিছতে ৰাজ্যপালে বিটিচি সচিবালয়ত উপস্থিত হয় আৰু ৰাজ্য -কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আঁচনি ৰূপায়ণৰ খতিয়ানৰ বুজ লয়। ইয়াৰ পূৰ্বে পুৱাৰ ভাগত আদাবাৰীত থকা বড়োলেণ্ড চিল্ড পাৰ্ক আৰু এৰি স্পুন মিল ৰাজ্যপালে পৰিদৰ্শন কৰি প্ৰশংসা কৰে। ভাৰতৰ ভিতৰত উত্তৰ-পূৰ্বাঞ্চল, উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত অসম আৰু অসমৰ ভিতৰত বড়োলেণ্ড এখন সুন্দৰ ঠাই বুলিও মন্তব্য কৰিছে ৰাজ্যপালে। উল্লেখ্য যে ৰাজ্যপালে কালি সন্ধিয়াই ৰে'লযোগে কোকৰাঝাৰত উপস্থিত হৈছিল আৰু আজি নিশাটো কোকৰাঝাৰত কটাই কাইলৈ পুৱা ধুবুৰীত উপস্থিত হৈ ভাৰত-বাংলাদেশ সীমান্ত পৰিদৰ্শন কৰাৰ লগতে ৰামৰাইকুট্টী সত্ৰ পৰিদৰ্শন কৰিব।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
সম্পাদকঃ বিজি গগৈ (অবৈতনিক)